# পৰিশিষ্ট - ক

## চাওঁতাল পাৰিভাষিক শব্দাৱলী আৰু অসমীয়া অৰ্থ

অতিসুৰ ঃ হেংগেনা পকা।
অড়াক বঙ্গা ঃ গৃহ দেৱতা।
অড়াক দুৱাৰ নেল ঃ ঘৰ চোৱা।
আব্‌গে বঙ্গা ঃ বংশৰ দেৱতা (উপকাৰী)
আৰ্গোম ঃ মৈ
আখাঁইনি ঃ ওখোন।
আৰড় ঃ যুঁবলি।
আ-চাৰ ঃ ধনু কাড়।
আজনৰিয়া ঃ এগৰাকী মহিলা আৰু ভনীজোঁৱাই, এগৰাকী মহিলা আৰু তেওঁৰ ভাইবোৱাৰী।
ইতুৎ সিন্দুৰ দং ঃ দ'ৰা কইনাক সেন্দুৰ লগোৱাৰ সময়ত গোৱা গীত।
ইৰাৰ্পা ঃ ছোৱালীৰ বিবাহ নোহোৱা লৈকে ভৰণ পোষণৰ বাবে ৰখা ভূমিৰ অংশ।
উম্ হিলীক ঃ স্নানপৰ্ব
উমুল আদেৰ ঃ অস্থি বিসৰ্জন অনুষ্ঠান।
উতু ঃ ব্যঞ্জন।
এৰে ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।
এনেঞ্ঞ ঃ নৃত্য।
এড়ক চিম ঃ কৃষি কৰ্মৰ অপায় অমংগল দূৰ কৰাৰ বাবে অনুষ্ঠিত উৎসৱ।
ওঝা ঃ ওজা।
ঔবুক জংগা ঃ বিবাহৰ বাবে প্ৰস্তুত কৰা বিশেষ ধৰণৰ মদ।
কুম্ভিৰ ছাল ঃ কুম ছাল।
কাৰাম ঃ উৎসৱ।
কঁয়ডা গড় ঃ লোককথাত উল্লেখ থকা দূৰ্গ।
কানহু ঃ ১৮৫৫ চনত সংঘটিত চাওঁতাল বিদ্ৰোহৰ মূল নেতা।
কুদুম ঃ সাথৰ।
কাৰাম বিন্‌তি ঃ কাৰাম পৰৱৰ সময়ত পাঠ কৰা বিন্‌তি।
কুলহি ঃ গাওঁৰ মূখ্য পথ।
কাৰাম ঃ শস্য আৰু গৃহস্থৰ মংগলাৰ্থে কাৰাম গছক পূজা কৰা উৎসৱ।
কামৰূ গুৰু ঃ ওজা বিদ্যাৰ মুখ্য গুৰু। তেওঁৰ জড়িয়তেই কামৰূপৰ পৰা মন্ত্ৰ বিদ্যা চাওঁতাল সকলৰ মাজত প্ৰচলন হয় বুলি লোকবিশ্বাস প্ৰচলিত।
কাভি জালি ঃ এবিধ মাছ ধৰা জাল।
কুলাই পাচি ঃ এন্দুৰ ধৰা ফান্দ।
কেডক ঃ নৈশ আহাৰ।
কাশ্মাৰ ডাৰু ঃ গমাৰি গছ।
কুলাই পাচি ঃ এন্দুৰ ধৰা ফান্দ।
কাভি জালি ঃ এবিধ মাছ মৰা জাল।
কুদুম নাইকি ঃ সহকাৰী পুৰোহিত।
কইণ্ডে ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।
খোজ কামান ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।
খুন্টাও ঃ গৰুক পূজা কৰা পৰ্ব।
খোচা ঃ মাছ মৰা সঁজুলি।
খেৰবাড় ঃ চাওঁতাল সকলৰ পূৰ্বৰ পৰিচয়।
খুঁট ঃ উপগোত্ৰ।

খুন্টাও হিলৌক ঃ গৰু বিহু।

খোদা ঃ ল'ৰাৰ হাতত লগোৱা পোৰা দাগ।

খাজাৰি ঃ মুড়ি।

খুবতি ঃ কুন্তী।

গোসাঁই এৰা ঃ উপকাৰী দেৱতা।

গুলবৌৰী ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।

গুজৌৰ ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।

গোড়া ঃ গোহালী।

গিৰৌ ঃ হালধী পানীত দুবোৱা এঁৰা সূতাৰ এবিধ আহিলা য'ত বিয়ালৈ বাকী থকা দিনৰ হিচাপত খুলিব পৰাকৈ গাঠি মৰা হয়।

গিদৰৌ গাতে সিৰিঞ ঃ শিশু ওমলা গীত।

গডিৎ ঃ দূত।

গণংপন ঃ ছোৱালীৰ মূল্য।

গুমটেট ঃ খুলশালী।

গিডি চুমৌন ঃ বিবাহৰ সময়ত উদ্‌যাপিত এক ধৰণৰ অনুষ্ঠান।

গিডি চৌমৌৰা ঃ বিবাহৰ সময়ত উদ্‌যাপিত এক ধৰণৰ অনুষ্ঠান।

গোড়া ঃ গোহালী।

গাণ্ডো ঃ মূঢ়া।

গুংগু ঃ জাপি।

গান্দি চুকুম ঃ নাৰ্জি ফুল।

ঘিনী কুমাৰী ঃ ঘৃত কুমাৰী।

চাই ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।

চাম্পা ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।

চাচো চৌতিয়ৌৰ ঃ দীক্ষা অনুষ্ঠান।

চেতান নুটুম ঃ বাহিৰত মতা নাম।

চিকা ঃ ছোৱালীবোৰে বাহুত বা বুকুৰ ওপৰৰ অংশত কৰা টাটু।

চাডাউডি ঃ বিবাহ বিচ্ছেদৰ বাবে ভৰিব লগা জৰিমণা।

চাকাম অৰেচ্ ঃ বিবাহ বিচ্ছেদ অনুষ্ঠান।

চাণ্ড বঙ্গা ঃ সূৰ্য দেৱতা।

চুকৰি বাঢ়া ঃ গাহৰীৰ গড়াল।

চিম খুড়ী ঃ মূৰ্গীৰ বাহ।

চায়েৰা ঃ মাছ মৰা সঁজুলি।

চেৰে লাথা ঃ আঠা লগোৱা চৰাইৰ ফান্দ।

চিহাৰি চপ ঃ কাঞ্চন লতা।

চাচাং ঃ হালধি।

চিৰিক সামানো ঃ কলিহাৰী।

চপাৰোম সাকাম ঃ শেঁৱালী।

চাওৰাজ জন ঃ শিংকৰা।

চুতীয়া বাদুৰী ঃ বৰ বাদুলী।

চাই চাম্পা গড় ঃ লোককথাত উল্লেখ থকা দূৰ্গ।

চৌৰচী ঃ শুভাশুভ লক্ষ্যণ চোৱা গুৰু।

চাক্লাদাৰ ঃ পৰগণাৰ সহায়ক।

চৌতিয়ৌৰ বিন্‌তি ঃ চৌতিয়ৌৰ উৎসৱৰ সময়ত পাঠ কৰা বিন্‌তি।

জনম চৌতিয়ৌৰ ঃ শিশুৰ জন্মৰ পাছত পালন কৰা প্ৰথম অনুষ্ঠান।

জাহেৰ এৰা ঃ উপকাৰী দেৱতা।

জৌৰ ঃ সাধুকথা।

জমসিম বিন্‌তি ঃ জমসিম পূজাৰ সময়ত পাঠ কৰা বিন্‌তি।

জাহেৰ থান ঃ গাওঁৰ সমূহীয়া উপাসনা স্থলী।

জগমৌন্‌ঝি ঃ গাওঁৰ নৈতিক দিশ চোৱা চিতা কৰা গাঁও সভাৰ বিষয়ববীয়া।

জাবোদ ঃ খেতিপথাৰ চহোৱা।

জালি হিলৌক ঃ ঘৰে ঘৰে গৈ নৃত্য-গীত কৰা দিন।

জাহেৰ ডাব ঃ বাহা পৰৱৰ প্ৰথম দিন।

জান্থাৰ ঃ খেতিৰ প্ৰথম শস্য কটাৰ সময়ত অনুষ্ঠিত উৎসৱ।

জাৱাই ধূতি ঃ ধূতি আৰু উপহাৰ প্ৰদান।

জান বাহা ঃ অস্থি।

জান বাহা উম ঃ অস্থি বিসৰ্জন অনুষ্ঠান।

জানগুৰু ঃ ডাইনি বিশাৰদ।
জিমব্রি ঃ মাছ মৰা সঁজুলি।
জনক ঃ ঝাড়ু।
জাৰ্পি ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।
জালে ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
ঝাম্পা ঃ চৰাই ধৰা জাল।
ঝৰ্ণি ঃ সুৰ লগাই গোৱা মন্ত্ৰ।
ঝাৰ ছাল ঃ ভোট এৰাৰ ছাল।
ঝিকৌ ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
টৰডান ঃ মাছ মৰা সঁজুলি।
টুচি ঃ এন্দুৰ ধৰা জাল।
টেন্টা ঃ মাছ মৰা সঁজুলি।
টোলা ঃ চুবুৰী।
টেট্ৰাকুড়ি ঃ নিকট আত্মীয় তিনিগৰাকী কুমাৰী ছোৱালী।
টুচি ঃ এন্দুৰ ধৰা জাল।
টুপলী ঃ সৰু খৰাহী।
টিৰিও ঃ বাঁহি
তুম্‌দা ঃ ঢোঁল।
টামাক ঃ ঢোঁল।
টাবেন ঃ চিৰা।
ঠাকুৰ জিউ ঃ সৰ্বোচ্চ দেৱতা।
ডাহাৰ ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
ডান্টা ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
ডম ঃ গীত নগোৱা কৈ নচা এক প্ৰকাৰৰ নৃত্যৰ নাম।
ডবক জহাৰ ঃ দ'ৰা বা কইনা পক্ষক আদৰণি জনোৱা পৰ্ব।
ডা বাপলা ঃ পানী বিয়া।
ডাউৰী ঃ পাচি য'ত বহাই কইনাক মণ্ডপলৈ অনা হয়।
ডাক বঙ্গা ঃ অপকাৰী দেৱতা।
ডাকা ঃ ভাত।

ডোৰা ঃ ককালত পিন্ধা সূতা।
ডেংগানাক ঃ ল'ৰাই পিন্ধা কাপোৰ।
ঢুল' ঃ চাং।
তোৰে পুখুৰী বাহা বান্দেলা ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।
তেল নাহান ঃ মৃত্যুৰ পাঁচ দিন পাছত পালন কৰা পৰ্ব।
তাবেনজম ঃ ম্যাদী মাটি।
তৰোৱাড় ডাক ঃ তৰোৱালেৰে দিয়া পানী।
তেংগচ ঃ যুদ্ধৰ কুঠাৰ।
তালদৰে ঃ তাল গছৰ শিপা।
তেলাকুছি ঃ বিম্বিকা।
দাঙ্গুৱাহিচা ঃ পোহনীয়া জন্তুৰ ৰূপত ঘৰৰ ছোৱালীক দিয়া সম্পত্তিৰ অংশ।
দং ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
দুঙগীৰ ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
দকাই হিলৌক ঃ ভোজন দিৱস।
দাঁশাই ঃ ওঝা বিদ্যা সামৰণি উপলক্ষে অনুষ্ঠিত উৎসৱ।
দাঁশাই দাড়াণ ঃ দাঁশাই উৎসৱৰ সময়ত ঘৰে ঘৰে খুজিবলৈ যোৱা প্ৰথা।
দাক মৌণ্ডি ঃ পইতা ভাত।
দুৰিঅ' ঃ বাহা পৰবৰ সময়ত উলুখেৰেৰে বনোৱা বিশেষ প্ৰতীক।
দিহীৰি ঃ চিকাৰৰ নেতা।
দেসমৌন্‌ঝি ঃ পৰগণাৰ মূৰব্বী।
ধিংকি ঃ ঢেঁকী।
নিম দাক মাণ্ডি ঃ শিশুৰ জন্মৰ পাছত পালন কৰা প্ৰথম অনুষ্ঠান।
নাইকি ঃ পুৰোহিত।
নেপেল ঃ বৈঠক।
নুনু টাকা ঃ বৰযাত্ৰী নিজ ঘৰৰ পৰা প্ৰস্থান কৰাৰ আগমুহূৰ্ত্তত অনুষ্ঠিত কৰা পৰ্ব।

নাহেল ঃ নাঙল।
নষ্ঠা দুধি লোটা ৰাহেতয ঃ লাল কণ্ডল।
পৰিচ ঃ গোত্ৰ।
পাৰাণিক ঃ সহকাৰী গাওঁবুঢ়া।
পুতলি ঃ কুমাৰী ছোৱালীয়ে ব্যৱহাৰ কৰা বস্ত্ৰ।
পাৰহাড ঃ মেখেলা সদৃশ বস্ত্ৰ।
পিচাউৰি ঃ বগা কপাহি কুৰ্তা।
পাতাল গাৰু ৰাহেত ঃ সৰ্প গন্ধা।
পোচো লোৰে ঃ মুগা।
পাৰকম ঃ বিছনা।
পৰচী ঃ বিবাহ সম্পন্ন হোৱাৰ পাছত অনুষ্ঠিত কৰা পৰ্ব।
পৰগণা বঙ্গা ঃ উপকাৰী দেৱতা।
পাওৰা টাঅ'গী ঃ পাৰৰ বাহ।
পাচি জালি ঃ এবিধ মাছ মৰা জাল।
পাত্ৰ ঃ শাল বা কঠাল পাতেৰে বনোৱা থাল।
পাঁটিয়া ঃ পাটি।
পাঞ্চি ঃ ল'ৰাৰ ককালৰ তলত পিন্ধা বস্ত্ৰ /ছোৱালীৰ বুকুৰ অংশ ঢাকিবলৈ ব্যৱহাৰ কৰা বস্ত্ৰ।
পিচৗৰি ঃ উৎসৱৰ সময়ত ককালৰ ওপৰ অংশ ঢাকিবলৈ ল'ৰাই পিন্ধা কাপোৰ।
পাঁড়া ঃ পকা ম'দ।
পাঁইকাঁহা ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
পাক জুপিয়া ঃ গীত নগোৱা কৈ নচা এক প্ৰকাৰৰ নৃত্যৰ নাম।
পাণ্টে বেঘৰ ঃ এঘৰীয়া কৰা।
পৰগনা বাইসি ঃ দহৰ পৰা বিশ খন গাঁওৰ গাওঁবুঢ়া সকলৰ পৰিষদ।
ফুৰুক ঃ পাতেৰে তৈয়াৰ কৰা পিয়লা।
ফটিয়ক ঃ খৰাহি।
বঙ্গা ঃ যি কোনো অশৰীৰি আত্মা।
বাণ্ডি ঃ ডুলি।
বাৰণ ঃ টেবু।
বাংলা অড়াক ঃ দুচলীয়া ঘৰ।
বাহৰে বঙ্গা ঃ অপকাৰী দেৱতা।
বুৰু বঙ্গা ঃ অপকাৰী দেৱতা।
বাব্ৰে ক'ৰা ঃ ভিনিহী।
বাব্ৰে কুড়ি ঃ বাই।
বলয়া জহাৰ ঃ বিয়ৈ-বিয়ৈনীক আদৰণি অনুষ্ঠান।
বৰিয়ত ঃ বৰযাত্ৰী।
বুয়াং ঃ ৰঙা লাও খোল আৰু দুচটা বাহেৰে বনোৱা এবিধ বাদ্য যন্ত্ৰ।
বাব্ৰে এৰা ঃ বাইদেও।
বৗটি হাঁণ্ডি ঃ সৰহায়ৰ বাবে প্ৰস্তুত কৰা বিশেষ ধৰণৰ মদ।
বাহা সৰদি ঃ বাহা পৰৱৰ দ্বিতীয় দিন।
বাহা বাস্কে ঃ বাহা পৰৱৰ তৃতীয় দিন।
বানাম ঃ বেহেলা।
বৰ ঃ খেৰৰ ৰচি।
বচ ঃ বচ।
বৗংগ'-সংগা ঃ বন আলু।
বাৰুচাকাম ঃ নয়নতৰা।
বাৰছাল ঃ গকুল গছৰ ছাল।
বৰে দৰে ৰাহেত ঃ বট গছৰ শিপা।
বাঘ ঝাৰ ঃ জাপানী লতা।
বাহা ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
বাপ্লা বিন্তি ঃ বিয়াৰ সময়ত পাঠ কৰা বিন্তি।
বিন্তি ঃ হিন্দু সমাজৰ বেদ সদৃশ গদ্য আৰু পদ্য দুয়োধৰণে পাঠ কৰা এক ধৰণৰ মৌখিক সাহিত্য।
বীৰ সিৰিঞ ঃ অৰণ্যৰ মাজত বছৰেকীয়া চিকাৰ উৎসৱৰ সময়ত গোৱা গীত।
বাই দুৱাৰ ঃ লোককথাত উল্লেখ থকা সুৰংগ পথ।
বাদোলী গড় ঃ লোককথাত উল্লেখ থকা দূৰ্গ।
বাপলা ঃ বিয়া
বিদীয় দং ঃ কইনাক বিদায় দিয়াৰ সময়ত গোৱা গীত।

বুড়হি দং ঃ বিয়াৰ সময়ত বয়জেষ্ঠ মহিলাসকলে গোৱা গীত।

বালায়া দং ঃ বিয়াৰ সময়ত বিয়নীসকলে গোৱা গীত।

বাহোঞহাৰিয়া ঃ এজন পুৰুষ আৰু তেওঁৰ ভাইবোৱাৰী, এজন পুৰুষ আৰু তেওঁৰ খুলশালীৰ ঘৈণী

ভোগ্‌দ ঃ মৌন্‌ঝিৰ প্ৰতিনিধি।

ভেনতা কাথা ঃ সাংকেতিক শব্দ বিশেষ।

ভাঁঙান বিন্‌তি ঃ শ্ৰাদ্ধ অনুষ্ঠানত পাঠ কৰা বিন্‌তি।

ভিনচৌৰ ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।

ভাঙান ঃ শ্ৰাদ্ধ।

ভিতৰি নুটুম ঃ গুপ্ত নাম।

মৌন্‌ঝি থান ঃ গাওঁৰ পূৰ্বৰ গাওঁবুঢ়াসকলৰ আত্মাৰ উপাসনা স্থলী।

মোৰে হড় ঃ গাওঁ সভা।

মান্‌তাৰ ঃ মন্ত্ৰ।

মেন কাথা ঃ ফকৰা যোজনা।

মৌন্‌ঝি বাইসি ঃ গাওঁবুঢ়াৰ পৰিষদ।

মাঘচিম ঃ উৎসৱ।

মাৰাং বুড়ু ঃ উপকাৰী দেৱতা।

মৰেকো-টুৰুইকো ঃ উপকাৰী দেৱতা।

মৌন্‌ঝি বঙ্গা ঃ উপকাৰী।

মৰন ঃ মৃত্যু।

মেত হালাম ঃ জন্মৰ দিনত পতা এক অনুষ্ঠান।

মণ্ডৱা ঃ মণ্ডপ।

মেৰম গুডঢ়ী ঃ ছাগলীৰ গড়াল।

মেচি ঃ টুল।

মঞ্জন ঃ মধ্যাহ্ন ভোজন।

মকৰ কেণ্ডা ঃ কেন্দু।

মুংগা ছাল ঃ ছজিনা গছৰ ছাল।

মাতকম ল'ৰে ঃ মহুৱা।

মাঞ্জাক ৰাহেত ঃ মান কচু।

মুঠা ঃ কেঞা বন।

ৰংগো ৰুজি বঙ্গা ঃ অপকাৰী দেৱতা।

ৰাৰাণিক ঃ কবিৰাজ।

ৰক ভাত্তা ঃ ঔটেঙা।

ৰোহিন ছাল ঃ আকণ।

ৰিনজৌ ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।

লাচেৰ ঃ গাওঁৰ বিচাৰক মণ্ডলিৰ এজন সদস্য।

লৌ লৌ সিৰিঞ ঃ নিচুকণি গীত।

লিতা গোসাঁই ঃ মূখ্য দেৱতা।

লাজাওমাৰাও ঃ এজনী ছোৱালীৰ সন্মান হানি কৰাৰ বাবদ অপৰাধীৰ পৰা সংগ্ৰহ কৰা জৰিমনা।

ল'বীৰ বাইসি ঃ জংগল পৰিষদ।

লাচোট ঃ বোকাময় কৰা।

লবই ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।

লাগড়ে ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।

লোমটা ক'ৰা ঃ দৰাক সংগ দিয়া নিকট আত্মীয়ৰ এগৰাকী সৰু ল'ৰা।

লোৱা তাৰে ঃ মৌদিমৰু।

লোমটা কুড়ি ঃ কইনাক সংগ দিয়া নিকট আত্মীয়ৰ এগৰাকী সৰু ছোৱালী।

লৌউড়ীয়া ঃ গীত নগোৱা কৈ নচা এক প্ৰকাৰৰ নৃত্যৰ নাম।

লেবডা জালি ঃ এবিধ মাছ মৰা জাল।

শিখৰ ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।

শান্ত ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।

ষিম ঃ উৰহী।

সিনদুৱাৰ ঃ লোককথাত উল্লেখ থকা সুৰংগ পথ।

সাসাংবেদা ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।

সিৰিঞ ঃ গীত

সাসাং সুনুম দং ঃ দ'ৰা কইনাক তেল হালধী লগোৱাৰ সময়ত গোৱা গীত।

সহৰায় ঃ বছৰেকীয়া উৎসৱ।
সিধু ঃ ১৮৫৫ চনত সংঘটিত চাওঁতাল বিদ্ৰোহৰ মূল নেতা।
সিঞ সাদম ঃ ঘোঁৰা ৰূপী দেৱতা।
সিৰোম ঃ দুৱৰি।
সগুন ঃ ভাল লক্ষ্যণ।
সুনুম পিঠা ঃ চাউল গুড়িৰে বনোৱা এবিধ পিঠা।
সেন্দুৰ খৌণ্ডি ঃ বিয়াৰ বাবে হালধী পানীত দুৱাই হালধীয়া কৰা বিশেষ ধৰণৰ বস্ত্ৰ।
সহৰায় ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
সীমা বঙ্গা ঃ অপকাৰী দেৱতা।
সাগৰ ঃ গৰু গাড়ী।
হৰকবান্দি ঃ গীত নগোৱা কৈ নচা এক প্ৰকাৰৰ নৃত্যৰ নাম।
হৌণ্ডি ঃ চাউলৰ পৰা প্ৰস্তুত কৰা মদ।
হিহিড়ী পিপিড়ী ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।
হাৰাতা ঃ লোককথাত উল্লেখ থকা পূৰ্বৰ বাসস্থান।
হুমটী ঃ এক প্ৰকাৰৰ নৃত্য আৰু গীতৰ নাম।
হাঁস-হাঁসিল ঃ লোককথা অনুসৰি ভগৱানে সৃষ্টি কৰা প্ৰথম স্থলচৰ প্ৰাণী।
হৌৰিয়াড় চিম ঃ কঠিয়া তলিত ধান গঁজালি ওলোৱাৰ সময়ত অনুষ্ঠিত উৎসৱ।
হাকো কাটকৌম হিলৌক ঃ মাছ, কেঁকোৰা ৰান্ধি খোৱা দিন।
হৰক বাণ্ডি ঃ কইনাক নতুন কাপোৰ প্ৰদান।
হৰক চিখনৌ পৰ্ব ঃ আঙুঠি পিন্ধোৱা।
হুণ্ডি জালি ঃ এবিধ মাছ মৰা জাল।
হাপ্ৰামক' বঙ্গা ঃ পূৰ্ব পুৰুষৰ দেৱতা। (উপকাৰী)
হাটাক' ঃ কুলা।
হোড়েক' ঃ অসমীয়া প্ৰতি শব্দ বিচাৰি পোৱা নগ'ল।
হাট ৰাহেত ঃ দুধ কুৰি।
হালিম জান ঃ হালিম শাক।

-----